চতুর্থ অধ্যায়

নৱ লোক প্রশাসন (New Public Administration)

❑ উৎপত্তি আৰু বিকাশ (Origin and Development) ঃ

শিক্ষণীয় বিষয় হিচাপে লোক প্রশাসন বৰ পুৰণি নহয়। বিষয়টো এতিয়াও চালুকীয়া অবস্থাতে আছে বুলি ক'ব পাৰি। এই বিষয়টো গতিশীল আৰু সমাজৰ সৈতে ইয়াৰ সম্পর্ক অতিশয় নিবিড়। সমাজৰ দৃষ্টিভংগী আৰু আচৰণৰ পৰিৱর্তনৰ ফলত শাসন ব্যৱস্থাতো পৰিৱর্তন সাধিত হয়। নৱ লোক প্রশাসন এনে ধৰণৰ সামাজিক পৰিৱর্তনৰ ফল বুলিব পাৰি। পৰিৱর্তনবোৰৰ অধ্যয়ন আৰু পর্যবেক্ষণৰ উৎপত্তিস্থান হ'ল মূলতঃ মার্কিন যুক্তৰাষ্ট্র।

আলোড়ন, উত্তেজনা, অস্থিৰতা, বিশৃংখলা আদিৰ পৰিণতিত সমাজত নতুনত্বৰ সৃষ্টি হোৱা ভাব-আবেগবোৰ কেতিয়াবা পৰস্পৰবিৰোধী হৈ পৰে আৰু সামাজিক মূল্যবোধৰ নতুনত্বৰ সৃষ্টি হয়। তাৰ ফলত আনকি বহুসময়ত শিক্ষণীয় বিষয় কেতবোৰৰ গতি আৰু বিষয়বস্তুৰো পৰিৱর্তন সাধিত হ'ব পাৰে।

ওপৰোক্ত ধৰণৰ এক পৰিস্থিতিৰ সৃষ্টি হৈছিল ১৯৬০ ৰ দশকৰ মার্কিন যুক্তৰাষ্ট্রত। সেই কালছোৱাত দেশখন চৰকাৰৰ সংকটাৱস্থা, ভিয়েটনামৰ যুদ্ধত লিপ্ত হোৱাৰ ফলত সৃষ্টি হোৱা ধন-জনৰ ক্ষয়ক্ষতি, অসন্তুষ্ট যুব মানসিকতাৰ সমস্যা, দ্রুত নগৰীকৰণ, বর্ণবৈষম্য, অসামৰিক সেৱাৰ আন্দোলন আদি ভালেমান সমস্যাৰে জর্জৰিত হৈ পৰিছিল। সেইবোৰ প্রকৃততে আমেৰিকা যুক্তৰাষ্ট্রৰ সমাজ আৰু ৰাষ্ট্র ব্যৱস্থাৰ আভ্যন্তৰীণ ৰুগ্ন অবস্থাৰ বাহ্যিক প্রতিফলনহে আছিল। সমস্যাবোৰ সমাধান কৰাত ৰাজনৈতিক আৰু প্রশাসনীয় ব্যৱস্থাৰ অকৃতকার্যতাৰ ফলত সমস্যাবোৰৰ আশু সমাধানৰ উপায় পৰিদৃষ্ট হোৱা নাছিল। চৰকাৰৰ এনে নিঠৰুৱা অৱস্থাত, চৰকাৰে গ্রহণ কৰা নীৰৱ দর্শকৰ ভূমিকা আৰু প্রশাসনৰ মাধ্যমত দেশৰ সন্মুখত উপস্থিত হোৱা সমস্যাসমূহৰ সমাধানৰ পথ ৰুদ্ধ হৈ পৰা বুলি অনুভৱ কৰা মার্কিন যুক্তৰাষ্ট্রৰ কেতবোৰ ৰাজনীতিকাৰী আৰু সমাজ বিজ্ঞানীয়ে লোক প্রশাসন ব্যৱস্থাৰ তাত্ত্বিক দিশৰ কেতবোৰ পৰিৱর্তন আৰু সংস্কাৰৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। সেইসকল বিজ্ঞানীয়ে চৰকাৰৰ প্রচলিত অনুষ্ঠানসমূহ নতুনকৈ গঢ় দিয়াৰ আৱশ্যকতাও উপলব্ধি কৰিছিল। তেওঁলোকৰ যত্নতে লোক প্রশাসনত সংযোজিত হৈছিল এটি নতুন দিশ— নৱ লোক প্রশাসন। এইটো ১৯৬৮ চনৰ কথা।

❑ নৱ - লোক প্রশাসনৰ ক্রমবিকাশৰ ইতিহাস (History of Growth of New Public Administration) ঃ

নৱ - লোক প্রশাসনৰ ধাৰণা ফ্রেংক মেৰিণি (Frank Marini) য়ে ১৯৭১ চনত লিখা

"এবিধ নতুন লোক প্ৰশাসনৰ দিশত ঃ মাইনোব্ৰুক দৃষ্টিভংগী" (Towards a New Public Administration : Minnowbrook Perspective) নামৰ পুথিত প্ৰাঞ্জলভাৱে ব্যাখ্যা কৰা হৈছিল। একে প্ৰসংগতে লোক প্ৰশাসনৰ নতুনত্বৰ ধাৰণাৰ বাবে তলত দিয়াবোৰৰ বিষয়ে জনাটোও অতিশয় আৱশ্যকীয়।

(ক) ১৯৬৭ চনৰ লোক সেৱাৰ বাবে উচ্চ শিক্ষা শীৰ্ষক হনিৰ প্ৰতিবেদন (The Honey's Report on Higher Education for Public Service, 1967) ঃ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চিৰাকুছ (Syracuse) বিশ্ববিদ্যালয়ৰ জন চি হনি (John C Honey) য়ে লোক প্ৰশাসনৰ বিভিন্ন দিশবোৰ অধ্যয়ন কৰি বিষয়টোত সকলো কথা সামৰি লোৱাৰ উদ্দেশ্যে লোক প্ৰশাসনৰ অধ্যয়নৰ পৰিধি যথেষ্ট পৰিমাণে সম্প্ৰসাৰিত হোৱা উচিত বুলি অভিমত প্ৰকাশ কৰিছিল। তেওঁৰ মতে, লোক প্ৰশাসনৰ অধ্যয়নৰ পৰিধি চৰকাৰী প্ৰক্ৰিয়াৰ সমান হোৱা উচিত; অৰ্থাৎ তেওঁক পৰম্পৰাগত পদ্ধতিৰ সমৰ্থক বুলিব পাৰি। তেওঁ সেই উদ্দেশ্যে চাৰিটা পদ্ধতি নিৰ্দেশ কৰি সেইবোৰ তৎকালীনভাৱে কাৰ্যকৰী কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল।

(খ) ১৯৬৮ চনৰ লোক প্ৰশাসনৰ তত্ত্ব আৰু প্ৰয়োগৰ বিষয়ে মহাসভা (Conference on Theory and Practice of Public Administration, 1968) ঃ আমেৰিকাৰ ৰাজনীতি আৰু সমাজ বিজ্ঞানৰ অকাডেমি (American Academy of Political and Social Sciences)ৰ পৃষ্ঠপোষকতাত ১৯৬৭ চনত বহা মহাসভাত সভাপতি জেমছ চি চাৰ্লছৱৰ্থ (James C Charlesworth) এ সেই সন্মিলনত অংশগ্ৰহণকাৰীসকল লোক প্ৰশাসন বিষয়টোৰ এটা দৃঢ় আৰু প্ৰণালীবদ্ধ প্ৰবেশপথৰ সন্ধান উলিয়াবলৈ আৰু চৰকাৰৰ এবিধ ব্যৱহাৰযোগ্য সঁজুলি হিচাপে লোক প্ৰশাসনৰ মূল্যায়ন কৰাৰ বাবে দৃঢ়প্ৰতিজ্ঞ বুলি ঘোষণা কৰিছিল। সেই সন্মিলনত অধ্যয়নৰ বিষয় হিচাপে পৰিগণিত কৰাৰ উপৰিও লোক প্ৰশাসনক এটা ক্ষেত্ৰভিত্তিক কাৰ্যব্যবস্থা আৰু বৃত্তি ৰূপে স্বীকাৰ কৰা হৈছিল।

(গ) ১৯৬৮ চনৰ মাইনোব্ৰুক সভা (The Minnowbrook Conference, 1968) ঃ ১৯৬৮ চনত ৱাল্ডো (Waldo)ৰে লিখা 'বিপ্লবৰ সময়ত লোক প্ৰশাসন' (Public Administration in a time of Revolutions) নামৰ প্ৰবন্ধত লোক প্ৰশাসনে ১৯৬০ ৰ দশকত সংঘটিত ঘটনাসমূহৰ প্ৰতি প্ৰদৰ্শন কৰা আওকণীয়া মনোভাবৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছিল। তদুপৰি, এইখন সভালৈ উঠি অহা প্ৰজন্মৰ ভালেমান ব্যক্তিকো নিমন্ত্ৰণ জনোৱা হৈছিল আৰু তেনেসকলে যথেষ্ট উদ্দীপনাৰে যোগদান কৰিছিল।

সেইবাবে এই মাইনোব্ৰুক সভাতে নৱ-লোক প্ৰশাসনৰ ধাৰণাৰ সূত্ৰপাত ঘটিছিল বুলি বহুতে মত প্ৰকাশ কৰে। এই সভাখন নৱ-লোক প্ৰশাসনৰ এখন সুসংহত ব্যাকৰণ প্ৰস্তুতিৰ বাবে গৌৰবৰ যোগ্য বুলিও বহুতে কয়।

মেৰিণি (Marini) আৰু দুইট ৱাল্ডো (Dwight Waldo) ই প্ৰকাশ কৰা 'নব লোক প্ৰশাসনৰ দিশত' (Towards New Public Administration) আৰু 'আলোড়নৰ সময়ত লোক প্ৰশাসন' (Public Administration in Time of Turbulance) নামৰ পুথি দুখনে নৱ-লোক প্ৰশাসনৰ উৎপত্তি আৰু ক্ৰমবিকাশত প্ৰভূত পৰিমাণৰ অৰিহণাৰ যোগান ধৰিছে। একে সময়ছোৱাতে আৰু ভালেমান প্ৰবন্ধ-পাতিও কেবাজনো বিখ্যাত লেখকৰদ্বাৰা লিখা হৈছিল।

❑ নব-লোক প্ৰশাসনৰ মূল বৈশিষ্ট্যসমূহ (Main Features of New Public Administration) ঃ

ডুইট ৱাল্ডো (Dwight Waldo) আৰু টি. গোলেমবিউকী (T. Golembiewgki) য়ে নব লোক প্ৰশাসনৰ তলত দিয়া বৈশিষ্ট্যবোৰ উল্লেখ কৰিছে।

১। নব-লোক প্ৰশাসন সংস্কাৰধৰ্মী। এইবিধ লোক প্ৰশাসনৰ প্ৰবক্তাসকলে পৰম্পৰাগত আৰু আধুনিক প্ৰবেশ পথ তথা পদ্ধতিৰ সু-সমন্বয় ঘটোৱাৰ আৱশ্যকতা অনুভব কৰে। তেওঁলোকে পৰম্পৰাগত প্ৰশাসনীয় সংগঠনৰ ব্যৱস্থা অব্যাহত ৰাখিব বিচাৰে; অবশ্যে সেই ব্যবস্থাৰ দৃষ্টিভংগী আৰু অৰ্থৰ কিছু পৰিৱৰ্তনৰ বিৰোধিতা নকৰে।

২। নব-লোক প্ৰশাসনে ধৰি লয় যে মানব-জাতিয়ে সম্পূৰ্ণতা লাভ কৰিব পাৰে।

৩। নব-লোক প্ৰশাসন উদ্দেশ্যভিত্তিক আৰু পৰিৱৰ্তনমুখী। ই প্ৰশাসনৰ নৈতিক উদ্দেশ্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে আৰু নৈতিকতাক ইয়াৰ ভিত্তি হিচাপে গ্ৰহণ কৰে।

৪। নব-লোক প্ৰশাসনৰ সমতা, স্বতন্ত্ৰতা, ন্যায়, গণতন্ত্ৰ আদি সামাজিক মূল্যবোধৰ সৈতে নিবিড় সম্পৰ্ক আছে। ই ব্যক্তিৰ কেন্দ্ৰীয় ভূমিকাৰ ওপৰত আৰু সংগঠনৰ নৈতিক মূল্যবোধৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

৫। ই মূল্যবোধ আৰু বাস্তবৰ ওপৰত অভেদ্যতা ৰক্ষা কৰিব বিচাৰে।

৬। ই লোক প্ৰশাসনক সামাজিক তত্ত্বাবধান আৰু নিয়ন্ত্ৰণৰ সঁজুলি (Instrument of social Control) হিচাবে গণ্য কৰে আৰু লগতে গণতান্ত্ৰিক মানৱীয় লক্ষ্যত উপনীত হোৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। সেইবাবে পৰম্পৰাগত লোক প্ৰশাসনৰ ধাৰণাৰ বিপৰীতে, নব লোক প্ৰশাসনে পাৰদৰ্শিতা আৰু মিতব্যয়িতাৰ সলনি সমাজৰ নিঃস্ব আৰু অসহায় শ্ৰেণীৰ বাবে কল্যাণমূলক কামৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

৭। ই নিৰপেক্ষ আমোলাতন্ত্ৰৰ ধাৰণা মানি নলয় আৰু আমোলাসকলক সামাজিক পৰিৱৰ্তনৰ বাহক হিচাপে ব্যৱহাৰ কৰাৰ পৃষ্ঠপোষকতা কৰে। ইয়াৰ মতে, আমোলাসকলে যথেষ্ট সক্ৰিয় ভূমিকা গ্ৰহণ কৰা উচিত আৰু জনসাধাৰণে কি বিচাৰে আৰু কেতিয়া বিচাৰে তেনে কথাবোৰৰ বিষয়ে নিজৰ মনোভাব প্ৰকাশৰ সুবিধা লাভ কৰিব লাগে।

৮। প্ৰাসংগিকতা, মূল্যবোধ, সমতা আৰু পৰিৱৰ্তন— এই চাৰিবিধ মূল নীতিৰ ওপৰত ভিত্তি কৰি জাতি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান নব লোক প্ৰশাসনৰ অন্য এবিধ বৈশিষ্ট্য।

৯। নব লোক প্ৰশাসনে ৰাজনীতি আৰু প্ৰশাসনৰ সম্পূৰ্ণ পৃথকতা স্বীকাৰ নকৰে আৰু ৰাজনীতিৰ সৈতে প্ৰশাসনৰ সম্পৰ্ক মানি লয়।

১০। নব লোক প্ৰশাসনে পৰম্পৰাগত ভাবধাৰাৰ সৈতে জড়িত কেতবোৰ গোড়ামিৰ গ্ৰহণযোগ্যতা মানি নলয়। উদাহৰণ স্বৰূপে, ই প্ৰশাসনত পাৰদৰ্শিতা আৰু মিতব্যয়িতাৰ ঠাইত সামাজিক পাৰদৰ্শিতা আৰু সেৱাৰদ্ধাৰা পূৰাবৰ প্ৰয়াস কৰে। তদুপৰি, ব্যক্তিগত আৰু চৰকাৰী প্ৰশাসনৰ মাজৰ প্ৰভেদো অস্বীকাৰ কৰে।

❑ নব লোক প্ৰশাসনৰ প্ৰকৃতি আৰু কাৰ্যাৱলী (Nature and Scope of New Public Administration) ঃ

নব লোক প্ৰশাসনক পৰম্পৰাগত লোক প্ৰশাসনৰ সংস্কাৰিত আকৃতি বুলি ক'ব পাৰি

আৰু সেইবাবে এই দুবিধৰ প্ৰকৃতি আৰু কাৰ্যাৱলীৰ ভালেমান সাদৃশ্য দেখা যায়। ক'ৰই নালাগে যে সমাজ বিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ সৈতে নৱ-লোক প্ৰশাসনৰ নিবিড় সম্পৰ্ক আছে। ই ৰাজনীতি আৰু প্ৰশাসনৰ ভিন্নতাৰ ধাৰণা অস্বীকাৰ কৰি বিষয় দুটাৰ পৰস্পৰ নিৰ্ভৰশীলতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। আধুনিক কালৰ লিখকসকলে লোক প্ৰশাসনক ৰাজনৈতিক পদ্ধতিৰ এটা অংশ হিচাপে গণ্য কৰে আৰু তেওঁলোকৰ মতে, সেই দুটাৰ ভিতৰত প্ৰভেদৰ সীমাৰেখা অংকন কৰাটো যথেষ্ট পৰিমাণে দুৰূহ কাম। ডোনাল্ড কিংলে (Donald Kingley) আদি লিখকসকলে লোক প্ৰশাসনক ৰাজনীতিৰ অংশবিশেষ বুলি অনুভব কৰে। কেৱল সেয়ে নহয়, মানৱ-কল্যাণ আৰু মানৱ সম্পদৰ উন্নয়নৰ সৈতে ইয়াৰ ওতপ্ৰোত সম্পৰ্কৰ বাবে নব লোক প্ৰশাসন ক্ৰমাগতভাৱে বিভিন্ন বিষয়ৰ অধ্যয়নৰ সৈতে সাঙোৰ খাই পৰিছে।

লোক প্ৰশাসনৰ আধুনিক ধাৰণাই লোক প্ৰশাসনক এবিধ বিজ্ঞানৰ মৰ্যাদা দানৰ পৃষ্ঠপোষকতা কৰে। অৱশ্যে, এই ধাৰণাও পোষণ কৰা হয় যে তথাকথিত প্ৰশাসনীয় তত্ত্বসমূহৰ বহুসংখ্যক সৰ্বত্ৰ প্ৰযোজ্য নাইবা বাস্তৱ নহয় আৰু সেইবোৰৰ বহুতত 'কি হয়' আৰু 'কি হোৱা উচিত' এই দুই ভাবধাৰাৰ কোনটো অধিক প্ৰভাবী অনুমান কৰাত অসুবিধা হয়।

কোনো বিষয়ৰ চৰিত্ৰৰ পৰিৱৰ্তনে সেই বিষয়টোৰ অধ্যয়নৰ বিষয়বস্তুৰো পৰিৱৰ্তন বুজায়। পৰম্পৰাগত লোক প্ৰশাসনৰ পৰিৱৰ্তিত ৰূপত আত্ম-প্ৰকাশ কৰা নব লোক প্ৰশাসনৰ অধ্যয়নৰ পৰিধিৰ ক্ষেত্ৰতো এই কথা মনত ৰখা উচিত।

নব-লোক প্ৰশাসনে পৰম্পৰাগত লোক প্ৰশাসনৰ অখণ্ড ধাৰণা বহন কৰে। সেই অনুসৰি কেবল নীতি কাৰ্যকৰীকৰণেই নহয়, নীতি নিৰ্ধাৰণো নব-লোক প্ৰশাসনৰ বিষয়বস্তুৰ অন্তৰ্গত হয়। আধুনিক কালত, আমোলাবৰ্গই মুখ্য কাৰ্যপালিকালৈ আৱশ্যকীয় তথ্যপাতিৰ যোগান ধৰা বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তদুপৰি, প্ৰতিনিধিত্বমূলক আইন প্ৰণয়ন ব্যৱস্থাৰ যোগেদি বাস্তব ক্ষেত্ৰত, প্ৰশাসনীয় বিষয়াসকলে বহু পৰিমাণৰ বিধায়ী কাৰ্যও সম্পাদন কৰে।

পৰম্পৰাগত লোক প্ৰশাসনৰ নিচিনাকৈ, নব লোক প্ৰশাসনেও পৰিকল্পনা, সংগঠন, কৰ্মচাৰী নিয়োগ, সমন্বয় সাধন, প্ৰতিবেদন দাখিল, বাজেট প্ৰস্তুতি আদি কাৰ্যবোৰ প্ৰশাসনৰ কাঠামো হিচাপে গ্ৰহণ কৰে। ই অৱশ্যে সেই কাৰ্যবোৰৰ ক্ষেত্ৰতো নতুন আৰু প্ৰশস্ত অৰ্থ বিচাৰি উলিওৱাৰ প্ৰয়াস কৰা দেখা যায়।

কল্যাণকামী ৰাষ্ট্ৰ গঠনৰ বাবে অপৰিহাৰ্য ৰাষ্ট্ৰৰ সম্প্ৰসাৰিত কাৰ্যাৱলীৰ অধ্যয়নত আৰু তাৰ বাবে আৱশ্যকীয় বিষয়াবৰ্গৰ প্ৰবেশন, পদোন্নতি, প্ৰশিক্ষণ আদিৰ উপৰি আজিৰ দিনত প্ৰদূষণ নিবাৰণৰ ব্যৱস্থায়ো নব-লোক প্ৰশাসনৰ অধ্যয়নৰ বিষয়বস্তু হিচাপে পৰিগণিত হৈছে।

আধুনিক কালত উন্নয়নমুখী দেশসমূহত প্ৰশাসন বহুতো সমস্যা সমাধান কৰিব লগীয়া আৰু বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। সামাজিক অস্থিৰতা, আভ্যন্তৰীণ নিৰাপত্তাৰ অভাব, বাহ্যিক হস্তক্ষেপ আৰু আক্ৰমণ, পৰিচালনাৰ দক্ষতাৰ অভাব, যথাযথ প্ৰশাসনীয় সংগঠনৰ অভাব, উচিত ধৰণৰ বৃত্তিমূলক মানদণ্ডৰ অভাব, নৈতিক মূল্যবোধৰ অভাব, প্ৰশাসনীয় দায়িত্বহীনতা আদিৰ সমস্যাবোৰ তেনে দেশবোৰত প্ৰশাসনে প্ৰায়েই সন্মুখীন হ'বলগীয়া হয়।

তদুপৰি, প্ৰায়বোৰ আধুনিক ৰাষ্ট্ৰই সমাজবাদী নীতি গ্ৰহণ কৰা দেখা যায়। তেনেবোৰ দেশত প্ৰশাসন, দুখীয়া শ্ৰেণী আৰু লক্ষ লক্ষ অনাক্ষৰী লোকৰ উন্নতি সাধনৰ কামত মনোনিবেশ

কৰিবলগীয়াত পৰে। তেনেবোৰ দেশৰ প্ৰশাসন ব্যৱস্থাই সেইবাবে হিংসা, আঞ্চলিক আৰ্থিক ভাৰসাম্যৰ অভাব, সামাজিক উৎকণ্ঠা, অস্থিৰতা, জনসংখ্যাৰ বিস্ফোৰণ, দুৰ্নীতিপৰায়ণতা আদিৰ লেখীয়া নতুন প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হ'বলগীয়াত পৰে। এইবোৰেই নব লোক প্ৰশাসনৰ অধ্যয়নৰ পৰিধি যথেষ্ট পৰিমাণৰ প্ৰসাৰতা লাভ কৰাৰ কাৰণ বুলি ঠাৱঁৰাব পাৰি।